NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 9-05-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত সন্মানীয় পদ্ম বঁটাসমূহ প্ৰদান কৰে।

২। বিজেপিৰ জ্যেষ্ঠ নেতা তথা দলৰ ৰাষ্ট্ৰীয় সভাপতি জগত প্ৰকাশ নাড্ডাই আজি উত্তৰ প্ৰদেশত আয়োজিত নিৰ্বাচনী সভাত কয় যে, জনসাধাৰণে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াইছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু মালদ্বীপৰ বিদেশ মন্ত্ৰী মুছা জমিৰে আজি নতুন দিল্লীত দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কক ধৰি বিভিন্ন দিশ আলোচনা কৰে।

৪। ভাৰতৰ বৈদেশি সচিব বিনয় মোহন কোৱাট্ৰাই আজি পুৱা বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাক ঢাকাত সাক্ষাৎ কৰে।

*আৰু*

৫। বাংলাদেশৰ ছিলেট আন্তঃৰাষ্ট্ৰী ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত মহিলাৰ টি ২০ ক্ৰিকেট খেলত ভাৰতে বাংলাদেশক ২১ ৰানত পৰাস্ত কৰে।

০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত সন্মানীয় পদ্ম বঁটাসমূহ প্ৰদান কৰে। দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটাসমূহ পদ্ম বিভূষণ, পদ্ম ভূষণ আৰু পদ্মশ্ৰী এই তিনিটা শিতানত প্ৰদান কৰা হয়। কলা, সমাজসেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, ঔষধ, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া আৰু অসামৰিক সেৱা আদি বিভিন্ন শিতানত পদ্ম বঁটাসমূহ প্ৰদান কৰা হয়। প্ৰতি বছৰে গণৰাজ্য দিৱসৰ দিনা এই বঁটাসমূহ ঘোষণা কৰা হয়। যোৱা ২২ এপ্ৰিলত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে তিনিগৰাকী ব্যক্তিক পদ্মবিভূষণ, ৮ গৰাকীক পদ্মভূষণ আৰু ৫৫ গৰাকী ব্যক্তিক পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰিছিল। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০০

উত্তৰ প্ৰদেশত নিৰ্বাচনী প্ৰচাৰ পূৰ্ণ গতিত অব্যাহত আছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা দলৰ ৰাষ্ট্ৰীয় সভাপতি জগত প্ৰকাশ নাড্ডাই আজি চিত্ৰকোটত আয়োজিত নিৰ্বাচনী সভাত ভাষণ প্ৰসংগত কয় যে, জনসাধাৰণে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াইছে। শ্ৰী মোদী তৃতীয় বাৰৰ বাবে প্ৰধানমন্ত্ৰী হ'বলৈ গৈ আছে বুলিও তেওঁ মত প্ৰকাশ কৰে। সন্ধিয়াৰ ভাগলৈ নেতাগৰাকীয়ে ফটেহপুৰত আয়োজিত আন এটা নিৰ্বাচনী সমাৰেশত অংশগ্ৰহণ কৰাৰ কথা। তদুপৰি তেওঁ লক্ষ্ণৌ, উন্নাউ, মোহনলাল গঞ্জ আৰু ৰায়বেৰেলী লোকসভা

সমষ্টিৰ দলৰ জ্যেষ্ঠ কৰ্মীসকলৰ সৈতে বৈঠকত অংশগ্ৰহণ কৰিব। চতুৰ্থ পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া সমষ্টিসমূহৰ বিধায়ক তথা বিধান পৰিষদৰ সদস্যসকলৰ এখন বৈঠকতো তেওঁ অধ্যক্ষতা কৰিব। আনহাতে সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেখ য়াদৱে আজি বাহৰেইচত আয়োজিত এখন নিৰ্বাচনী সমাৰেশত ভাষণ প্ৰসংগত কয় যে, বিজেপিয়ে দেশৰ কৃষক আৰু যুৱচামৰ বিৰুদ্ধে কাম কৰি আছে। তেওঁ লগতে ধাওৰাহৰা আৰু লখিমপুৰ খিৰি সমষ্টিটো নিৰ্বাচনী প্ৰচাৰত অংশ ল'ব। কংগ্ৰেছৰ জ্যেষ্ঠ নেত্ৰী প্ৰিয়ংকা গান্ধী ৱাদ্ৰায়ো আজি ৰায়বাৰেলী সমষ্টিত নিৰ্বাচনী প্ৰচাৰত অংশ ল'ব। ইপিনে বহুজন সমাজপাৰ্টীৰ মুৰব্বী মায়াবতীয়ে কন্নৌজ জিলাত আয়োজিত নিৰ্বাচনী সমাৰেশত অংশ ল'ব।

oooooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু মালদ্বীপৰ বিদেশ মন্ত্ৰী মুছা জমিৰে আজি নতুন দিল্লীত দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক তথা আঞ্চলিক আৰু নিৰাপত্তা সম্পৰ্কীয় দীশসমূহ আলোচনা কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰন্ধীৰ জয়ছোৱালে প্ৰকাশ কৰা অনুসৰি দুয়োগৰাকী মন্ত্ৰীয়ে সক্ষমতা নিৰ্মাণ, প্ৰশিক্ষণ আৰু দুৰ্যোগ প্ৰশমনকে ধৰি বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে। মুখপাত্ৰগৰাকীয়ে কয় যে, দুয়োখন দেশে বহুদিন ধৰি বিমান পৰিবহন খণ্ডত কাম-কাজ সুচাৰুৰূপে অব্যাহত ৰখাৰ বাবে প্ৰচেষ্টা চলাই আছে। তেওঁ কয় যে, মালদ্বীপত সেৱা আগবঢ়াই থকা ভাৰতীয় লোকৰ প্ৰথম আৰু দ্বিতীয় দলটো ইতিমধ্যে ওভতি আহিছে। ভাৰতীয় প্ৰযুক্তিখণ্ডৰ অভিজ্ঞ তথা যোগ্য বিষয়াসকলক বিমান পৰিবহনখণ্ডৰ কামকাজৰ বাবে মালদ্বীপলৈ পঠিওৱা হৈছিল বুলি তেওঁ সদৰি কৰে।

oooooooo

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কংগ্ৰেছৰ সৈতে দুগৰাকী শীৰ্ষ স্থানীয় উদ্যোগপতিৰ বিশেষ সম্পৰ্কৰ বিষয়ে অভিযোগ অনা সন্দৰ্ভত কংগ্ৰেছে শ্ৰী মোদীক সমালোচনা কৰে। দলটোৰ মুখপাত্ৰ সুপ্ৰীয়া শ্ৰীনেটে নতুন দিল্লীত সংবাদ মাধ্যমৰ আগত কয় যে, কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীয়েহে অবিৰতভাৱে দুয়োটা ব্যৱসায়িক গোষ্ঠীক জবাবদিহি কৰিছিল। ইয়াৰ বিপৰীতে বিজেপি নেতাৰ সৈতে তেওঁলোকৰ সম্পৰ্ক আছে বুলি মুখপাত্ৰ গৰাকীয়ে অভিযোগ কৰে। তেওঁ লগতে কয় যে, লোকসভা নিৰ্বাচনত হ'বলগীয়া পৰাজয়ৰ উমান পাই দলটো অস্থিৰ হৈ উঠিছে। কংগ্ৰেছৰ মুখপাত্ৰগৰাকীয়ে যুৱ চামৰ বাবে নিয়োগৰ সুবিধাকে ধৰি দলটোৰ বিভিন্ন প্ৰতিশ্ৰুতিৰ ওপৰত আলোকপাত কৰে। উল্লেখযোগ্য যে, শ্ৰী মোদীয়ে হায়দৰাবাদত কালি অনুষ্ঠিত নিৰ্বাচনী সমাবেশত ভাষণ প্ৰসংগত কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীয়ে দুগৰাকী উদ্যোগপতিক সমালোচনা কৰিবলৈ এৰা বুলি উল্লেখ কৰি দলটোৰ সৈতে তেওঁলোকৰ কোনো বুজা-পৰা হৈছে নেকি বুলি উল্লেখ কৰিছিল।

oooooooo

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে এদিনীয়া কাৰ্যসূচীৰে ঝাৰখণ্ড ভ্ৰমণ কৰে। মন্ত্ৰীগৰাকীয়ে দেশৰ পূব প্ৰান্তত বিনিয়োগৰ সম্ভাৱনা সন্দৰ্ভত ঝাৰখণ্ডৰ ছেম্বৰ অব কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰিচ ফেদাৰেচনৰ ব্যৱসায়ীসকলৰ এখন সন্মিলনক সম্বোধন কৰে। শ্ৰীমতী সীতাৰমনে বিকশিত ভাৰতৰ  প্ৰগতিৰ ইঞ্জিন পূৰ্বাঞ্চল সন্দৰ্ভত আয়োজিত আলোচনা চক্ৰখনত ভাষণ দিয়ে। ঝাৰখণ্ডত প্ৰভুত পৰিমাণে খনিজ সম্পদ আছে বুলি উল্লেখ কৰি তেওঁ কয় যে, ৰাজ্যখন নিৰ্মাণৰ কেন্দ্ৰ হৈ পৰিব পৰাকৈ    সম্ভাৱনাময়। বিগত কেইবাবছৰো ধৰি ৰাজ্য চৰকাৰৰ অস্থিৰ অৱস্থাৰ

বাবে ঝাৰখণ্ডৰ প্ৰগতি আৰু উন্নয়ন আশা কৰা ধৰণে হোৱা নাই বুলি তেওঁ মতপ্ৰকাশ কৰে। ৰাজ্যখনৰ বাবে অৰ্থনৈতিক প্ৰগতিৰ অজস্ৰ সুবিধা অনাৰ লগতে সকলো শ্ৰেণীৰ জনসাধাৰণৰ বাবে বিভিন্ন উন্নয়নমূলক আঁচনিৰ সুচনা কৰাৰ বাবে এন ডি এ চৰকাৰে পৰিকল্পনা প্ৰস্তুত কৰিছে বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত বিজেপিৰ ৰাজ্যিক সভাপতি তথা ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বাবুলাল মাৰাণ্ডীয়ে কয় যে, ক্ষমতালৈ আহিলে চৰকাৰে ৰাজ্যখনৰ আন্তঃগাঠনিৰ উন্নয়নৰ বাবে নক্সাল মুক্ত বাতাবৰণ গঢ়ি তোলাৰ লগতে এটা উৎসাহজনক পৰিৱেশ সৃষ্টি কৰিবলৈ প্ৰতিশ্ৰুতি বদ্ধ। সন্ধিয়াৰ ভাগলৈ মন্ত্ৰীগৰাকীয়ে ৰাচীত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনী সমাবেশত ভাষণ দিব।

০০০০০০০০

ভাৰতৰ বৈদেশি সচিব বিনয় মোহন কোৱাট্ৰাই আজি পুৱা  বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাক ঢাকাত সাক্ষাৎ কৰে। সচিবগৰাকীয়ে দেশখনৰ বিদেশ মন্ত্ৰী হাছান মাহমুদৰ সৈতেও মত বিনিময় কৰে। উল্লেখযোগ্য যে কোৱাট্ৰা কালি দুদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে ঢাকাত উপস্থিত হয়। তেওঁ বাংলাদেশৰ বৈদেশিক সচিব মাছুদ বিন ম'মিনকো আজি সাক্ষাৎ কৰাৰ কথা। বৈঠকত উভয়পক্ষই ৰাজনৈতিক, নিৰাপত্তা, পানী, বাণিজ্য আৰু বিনিয়োদ, শক্তি আৰু ক্ষমতা, প্ৰতিৰক্ষা সংযোগ আৰু আঞ্চলিক সহযোগিতাকে ধৰি বিভিন্ন দ্বিপাক্ষীক বিষয় আলোচনা কৰিব।

০০০০০০০০

অসম লোকসেৱা আয়োগে ২০২৩ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক প্ৰাৰম্ভিক পৰীক্ষাৰ ফলাফল ঘোষণা কৰিছে। মূল পৰীক্ষাৰ বাবে সৰ্বমুঠ দুহেজাৰ ৮৯৮গৰাকী পৰিক্ষাৰ্থীয়ে যোগ্যতা অৰ্জন কৰিছে। ইয়াৰ ভিতৰত ৭১৯গৰাকী মহিলা, ১০৬গৰাকী বিশেষভাৱে সক্ষম আৰু ১০২গৰাকী প্ৰাক্তন সৈনিক পৰিক্ষাৰ্থীও আছে। পোনপ্ৰথমবাৰৰ বাবে পৰীক্ষাটোত মৰাণ, মটকৰ বাবে সংৰক্ষণ কৰা পদৰ বিপৰীতেও প্ৰাৰ্থীয়ে মূল পৰীক্ষাৰ বাবে যোগ্যতা অৰ্জন কৰিছে। উল্লেখযোগ্য যে, ৰাজ্যৰ ৩২খন জিলাৰ ১১৬টা কেন্দ্ৰত সৰ্বমুঠ ২৩৫টা পদৰ বিপৰীতে অনুষ্ঠিত হোৱা এই পৰীক্ষাত ৬৭ হাজাৰ ২৯১গৰাকী প্ৰাৰ্থীয়ে আবেদন কৰিছে। আয়োগৰ এক বিবৃতি অনুসৰি জুলাই মাহৰ শেষ ভাগত মূল পৰীক্ষা অনুষ্ঠিত হ'ব। মূল পৰীক্ষাৰ প্ৰশ্নকাকতসমূহ ইংৰাজীৰ লগতে অসমীয়াতো উপলব্ধ হ'ব। পৰিক্ষাৰ্থীসকলে অসমীয়া মাধ্যমতো উত্তৰসমূহ লিখিব পাৰিব।

০০০০০০০০

ষষ্ঠ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰাৰ্থীত্ব প্ৰত্যাহাৰৰ আজি অন্তিম দিন। অহা ২৫ মে' তাৰিখে ৬খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলত মুঠ ৫৮টা সংসদীয় সমষ্টিত এই পৰ্যাত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত দিল্লীৰ ৭খন আসন, হাৰিয়ানাৰ ১০ খন আসন, উত্তৰ প্ৰদেশৰ ১৪খন আসন, বিহাৰ আৰু পশ্চিমবংগৰ ৮খনকৈ আসন, ওড়িশাৰ ৬খন, ঝাড়খণ্ডৰ ৪খন আসন আৰু জম্মু-কাশ্মীৰৰ এখন আসনত নিৰ্বাচন অনুষ্ঠিত হ'ব। ভোটগ্ৰহণৰ অন্তত অহা ৪ তাৰিখে সকলো পৰ্যায়ৰ ভোটগণনা কৰা হ'ব।

০০০০০০০০

তামিলনাডুৰ বিৰুধুনগৰ জিলাৰ শিৱকাশীৰ ছেনগালাপট্টীৰ  ফটকা প্ৰস্তুত কাৰখানাত সংঘটিত এটা বিস্ফোৰণৰ ঘটনাত ৫ গৰাকী মহিলাকে ধৰি ৮ জন লোক নিহত হয়। আনহাতে এই ঘটনাত ৭ গৰাকী মহিলাকে ধৰি ১৩ গৰাকী কৰ্মচাৰী গুৰুতৰভাৱে আহত হয়। আৰক্ষীয়ে ইতিমধ্যে এই সন্দৰ্ভত এটা গোচৰ ৰুজু কৰিছে।

০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ধৰমশালাত হ'বলগীয়া এখন খেলত পাঞ্জাব কিংছ্ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০০

বাংলাদেশৰ ছিলেট আন্তঃৰাষ্ট্ৰী ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত মহিলাৰ টি ২০ ক্ৰিকেট খেলত ভাৰতে বাংলাদেশক ২১ ৰানত পৰাস্ত কৰে। ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ১৫৬ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ হেমলতাই ২৮টা বলত ৩৭ ৰান কৰে। প্ৰত্যুত্তৰত বাংলাদেশে নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৩৫ ৰানহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়।

০০০০০০০০

সমাপ্ত